**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-04-2024
**Time :** 1800 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

**::::::::::::::::::::::::::::::::::::**

# <u>HEADLINES</u>

ৰাজ্যৰ ৫ টা সমষ্টিত আজি শান্তিপূৰ্ণভাৱে দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণ সম্পন্ন হয়। অৱশ্যে ৫ বজাৰ আগেয়ে ভোটকেন্দ্ৰসমূহত উপস্থিত হোৱা ভোটদাতাসকলক ভোটদানৰ সুবিধা প্ৰদান কৰি থকা হৈছে। বিয়লি ৫ বজা পৰ্যন্ত ৰাজ্যখনত ৭০ শতাংশৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিছে। আজি প্ৰতিটো সমষ্টিৰ অন্তৰ্গত ভোটকেন্দ্ৰসমূহত পুৱা ৭ বজাৰে পৰা ভোটদাতাৰ দিঘলীয়া শাৰী পৰিলক্ষিত হয়। দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাওঁ সমষ্টিত নিয়াৰিকৈ ভোটগ্ৰহণ সম্পন্ন হৈছে বুলি আমাৰ সংবাদাতাসকলে জানিবলৈ দিছে। দৰং-ওদালগুৰি সমষ্টিত প্ৰায় ৭৩ শতাংশ, ডিফুত প্ৰায় ৬৯ শতাংশ, কৰিমগঞ্জত ৭১ শতাংশৰো অধিক, নগাওঁত ৭১ দশমিক ৮-৪ শতাংশ আৰু শিলচৰত ৬৫ শতাংশৰো অধিক ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিছে। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত ৰাজ্যখনত ২ গৰাকী মহিলা প্ৰাৰ্থীসহ মুঠ ৬১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াইছে। ইয়াৰ ভিতৰত কৰিমগঞ্জত সৰ্বাধিক ২৪ গৰাকী, নগাঁৱত ১৩, দৰং-ওদালগুৰিত ১১, শিলচৰত ৮ আৰু ডিফুত ৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা কৰিছে।

দৰং-ওদালগুৰি সমষ্টিত এন ডি এৰ প্ৰাৰ্থী  তথা সাংসদ দিলীপ শইকীয়া, কংগ্ৰেছৰ মাধৱ ৰাজবংশী আৰু বিপিএফৰ দুৰ্গাদাস বড়োয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইপিনে, শিলচৰত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী মন্ত্ৰী পৰিমল শুক্লবৈদ্য, তৃণমূল কংগ্ৰেছৰ ৰাধেশ্যাম বিশ্বাস আৰু কংগ্ৰেছ দলৰ সূৰ্য্যকান্ত সৰকাৰে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। কৰিমগঞ্জত বিজেপি মিত্ৰজোঁটৰ কৃপানাথ মাল্লা, কংগ্ৰেছৰ হাফিজ ৰছিদ চৌধুৰী আৰু এ আই ইউ ডি এফৰ চাহাবুল ইছলাম চৌধুৰীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। নগাঁও সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী সুৰেশ বৰাৰ বিপৰীতে কংগ্ৰেছ দলৰ প্ৰদ্যুৎ  বৰদলৈ আৰু এ আই ইউ ডি এফৰ আমিনুল ইছলামে প্ৰতিদ্বন্দ্বিতা কৰিছে। অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত ডিফু সমষ্টিত বিজেপি মিত্ৰজোঁটৰ হৈ অমৰ সিং টিছ', কংগ্ৰেছৰ জয়ৰাম ইংলেং আৰু গণ সুৰক্ষা পাৰ্টিৰ জন বাৰ্নাড চাংমাই প্ৰতিদ্বন্দ্বিতা কৰিছে।

শিলচৰ সংসদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী পৰিমল শুক্লবৈদ্যই আজি পুৱাৰ ভাগতে সমষ্টিটোৰ ঢলাইত ভোটৰ অধিকাৰ সাব্যস্ত কৰে। নগাওঁ লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী প্ৰদ্যুত বৰদলৈয়ে মৰিকলং উচ্চ মাধ্যমিক বিদ্যালয় আৰু বিজেপিৰ প্ৰাৰ্থী সুৰেশ বৰাই উৰিয়াগাওঁ বালিকা মজলীয়া বিদ্যালয়ৰ ভোটগ্ৰহণ কেন্দ্ৰত ভোটদান কৰে। কৰিমগঞ্জ লোকসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী কৃপানাথ মাল্লা আৰু কংগ্ৰেছ দলৰ প্ৰাৰ্থী হাফিজ ৰছিদ চৌধুৰীয়ে দুপৰীয়াৰ ভাগত ভোটদান কৰে।

কৰিমগঞ্জ সমষ্টিৰ অন্তৰ্গত কৰিমগঞ্জ নিৰ্বাচনী জিলাৰ ভোটকেন্দ্ৰসমূহত প্ৰায় ৭৩ শতাংশ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰে। নগাওঁ নিৰ্বাচনী জিলাৰ অন্তৰ্গত কেন্দ্ৰসমূহত ৭১ শতাংশৰো অধিক ভোটদাতাই আৰু দৰং-ওদালগুৰি সমষ্টিৰ অন্তৰ্গত কামৰূপ জিলাৰ ২টা বিধানসভা সমষ্টিত সামগ্ৰিকভাৱে ৭৮ শতাংশৰো অধিক ভোটদান কৰে।

০০০০০০

ৰাজ্যত লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি পশ্চিম গোৱালপাৰাত গুৱাহাটী সমষ্টিৰ দলীয় প্ৰাৰ্থী বিজুলী কলিতা মেধীৰ হৈ নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰে। ড০ শৰ্মাই দ্বৈত ইঞ্জিনৰ চৰকাৰৰ বিভিন্ন কল্যাণমূলক আঁচনি সন্দৰ্ভত স্থানীয় জনসাধাৰণৰ সৈতে কথা পাতে। তেওঁ কয় যে, চৰকাৰে জিলাখনত বান আৰু খহনীয়াৰ সমস্যা প্ৰতিহত কৰাৰ উদ্দেশ্যে বহুমুখী কৌশল গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে চলিত বৰ্ষত ৰাজ্য চৰকাৰে পুনৰ ৫০ হাজাৰ নিবনুৱাক সংস্থাপন দিব বুলি প্ৰতিশ্ৰুতি দিয়ে।

মুখ্যমন্ত্ৰীগৰাকীয়ে বৰপেটা লোকসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰে। ড০ শৰ্মাই বৰপেটা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ফণীভূষণ চৌধুৰীৰ হৈ অভয়াপুৰীত আয়োজিত নিৰ্বাচনী সভাত প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰীগৰাকীয়ে গুৱাহাটী লোকসভা সমষ্টিত আয়োজিত বিজয়  সংকল্প যাত্ৰাতো অংশগ্ৰহণ কৰে।

কংগ্ৰেছৰ নেতা গৌৰৱ গগৈ আৰু অসম জাতীয় পৰিষদৰ সভাপতি লুৰীনজ্যোতি গগৈয়ে আজি দুধনৈত গুৱাহাটী লোকসভা সমষ্টিৰ কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী ঐক্যমঞ্চৰ মনোনীত প্ৰাৰ্থী মীৰা বৰঠাকুৰ গোস্বামীৰ সমৰ্থনত প্ৰচাৰ চলায়।

০০০০০০

যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানত সাঁচিগছৰ খেতি কৃত্ৰিম ভেকুৰ সংস্থাপনৰ কৌশল সন্দৰ্ভত আয়োজিত এখন প্ৰশিক্ষণ কৰ্মশালাৰ আজি সফল সামৰণি পৰে। তিনি দিনীয়া কাৰ্যসূচীৰে আয়োজিত এই কৰ্মশালাত ১৩ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। কৰ্মশালাত সাঁচিগছৰ গুৰুত্ব, পুলি বাগান প্ৰস্তুতকৰণ, সাঁচি গছৰ বাৰী গঢ়ি তোলাকে ধৰি বিভিন্ন দিশ সামৰি লোৱা হয়। তদুপৰি কৃত্ৰিম ভাবে সাঁচি গছত ভেঁকুৰ সংস্থাপন কৰি তেল প্ৰস্তু কৰা, সাঁচি গছৰ লগত জড়িত আইন সংক্ৰান্তীয় বিষয়সমূহৰ লগতে সাঁচি গছৰ পৰা উৎপাদিত সামগ্ৰীৰ ৰপ্তানি বৃদ্ধি কৰাকে ধৰি কেইবাটাও বিষয় সামৰি প্ৰশিক্ষাৰ্থীসকলক প্ৰশিক্ষণ দিয়া হয়। অনুষ্ঠানত কেবাগৰাকীও জ্যেষ্ঠ বিজ্ঞানীয়েও অংশ গ্ৰহণ কৰে।

০০০০০০

ঃসমাপ্তঃ